**2014**

( November )

COMMERCE

( General / Speciality )

Course : 103

**( Financial Accounting )**

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

( New Course )

*Full Marks* : 80

*Pass Marks* : 24

**1.** *(a)* Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰা :

*(i)* Accounting Standards Board was set up in India in the year ——.

ভাৰতবৰ্ষত হিচাপ-বিদ্যাৰ মানক পৰিষদ —— চনত গঠন কৰা হয়।

www.prepnext.com

(ii) The cost of goods sold on hire purchase is transferred to —— Account.

ভাড়া-ক্রয় পদ্ধতিত পণ্য বিক্ৰীৰ ব্যয় —— হিচাপত প্ৰেৰণ কৰা হয়।

(iii) Royalty paid on sales is debited to —— Account.

স্বত্বকৰ বিক্ৰীৰ ওপৰত পৰিশোধ কৰিলে —— হিচাপত ডেবিট কৰা হয়।

(iv) In departmental accounts, each department is considered as a separate —— centre.

বিভাগীয় হিচাপত প্ৰত্যেক বিভাগক একোটা পৃথক —— কেন্দ্ৰ হিচাপে গণ্য কৰা হয়।

(b) Write 'True' or 'False' : 1×4=4

'সঁচা' নে 'মিছা' লিখা :

(i) Accounting principles are formulated by the government.

হিচাপৰ নীতিসমূহ চৰকাৰে প্ৰস্তুত কৰে।

(ii) The total amount to be paid by the buyer under hire-purchase system is called hire-purchase price.

ভাড়া-ক্রয় পদ্ধতিত ক্ৰেতাই পৰিশোধ কৰিবলগা মুঠ ধনৰ পৰিমাণক ভাড়া-ক্ৰয়মূল্য বুলি কোৱা হয়।



(iii) In branch accounting, each branch has separate entity.

শাখা হিচাপত প্ৰতিটো শাখাৰ পৃথক অস্তিত্ব থাকে।

(iv) Shortworking is the excess of minimum rent over royalty payable for the year.

যেতিয়া নিম্নতম খাজনাৰ পৰিমাণ বছৰটোৰ প্ৰদেয় স্বত্বকৰতকৈ অধিক হয়, তেন্তে তাক হ্ৰস্ব উৎপাদন বুলি জনা যায়।

**2.** Write short notes on : 4×4=16

চমু টোকা লিখা :

(a) The provisions of Accounting Standard–6

হিচাপ-বিদ্যাৰ 6 নং মানকৰ বিধানসমূহ

(b) Repossession of goods under hire-purchase system

ভাড়া-ক্ৰয় পদ্ধতিত পণ্যৰ অধিগ্ৰহণ

(c) Inter-departmental transactions

আন্তঃবিভাগীয় লেনদেনসমূহ

(d) Sublease

উপস্বত্ব ভাড়া

www.prepnext.com

3. *(a)* Following is the Trial Balance of Karan and Arjun as on 31st March, 2014 :

তলত কৰণ আৰু অৰ্জুনৰ ব্যৱসায়ৰ উদ্বৃত্ত মিলন বিবৃতি 2014 চনৰ 31 মাৰ্চত দিয়া হ'ল :

*Trial Balance / উদ্বৃত্ত মিলন বিবৃতি*

| *Debit Balances* *ডেবিট স্থিতি* | ₹ টকা | *Credit Balances* *ক্ৰেডিট স্থিতি* | ₹ টকা |
|---|---|---|---|
| Opening Stock আৰম্ভণি মজুত পণ্য | 1,60,000 | Sundry Creditors বিবিধ পাওনাদাৰ | 1,50,000 |
| Purchases ক্ৰয় | 4,00,000 | Bank Loan বেংকৰ ঋণ | 87,200 |
| Bills Receivable প্ৰাপ্য বিল | 4,000 | Sales বিক্ৰী | 8,40,000 |
| Cash in Hand নগদ হাতে জমা | 26,000 | Bills Payable দেয় বিল | 40,000 |
| Bad Debts অনুদ্ধাৰণীয় ঋণ | 2,000 | Interest সুত | 10,000 |
| Machinery যন্ত্ৰপাতি | 1,32,000 | Capital : মূলধন : | |
| Advertisement বিজ্ঞাপন ব্যয় | 16,000 | Karan কৰণ | 3,20,000 |
| Sundry Debtors বিবিধ দেনাদাৰ | 1,00,000 | Arjun অৰ্জুন | 2,00,000 |



| *Debit Balances* *ডেবিট স্থিতি* | ₹ টকা | *Credit Balances* *ক্ৰেডিট স্থিতি* | ₹ টকা |
|---|---|---|---|
| Goodwill সুনাম | 1,40,000 | | |
| Land and Building ঘৰ-বাৰী | 4,50,000 | | |
| Fuel ইন্ধন | 30,000 | | |
| Wages and Salaries মজুৰি আৰু দৰমহা | 80,000 | | |
| Rent and Taxes ভাড়া আৰু কৰ | 40,000 | | |
| Discount বাট্টা | 17,200 | | |
| Commission দস্তুৰী | 20,000 | | |
| Furniture আচবাব | 30,000 | | |
| | 16,47,200 | | 16,47,200 |

From the following additional information, you are required to prepare Trading and Profit & Loss A/c and also

www.prepnext.com

a Balance Sheet of Karan and Arjun for the year ended 31st March, 2014 : 4+4+6=14

তলত দিয়া অতিৰিক্ত তথ্যসমূহ বিচাৰ কৰি কৰণ আৰু অৰ্জুনৰ বৰ্ষীত 2014 চনৰ 31 মাৰ্চত কিনা-বেচা, লাভ-লোকচানৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা :

*(i)* Closing Stock as on 31st March, 2014 was ₹ 1,20,000

2014 চনৰ 31 মাৰ্চ তাৰিখে সামৰণী মজুত পণ্যৰ মূল্য আছিল 1,20,000 টকা

*(ii)* Depreciate machinery by 10% and furniture by 5%

যন্ত্ৰপাতি 10% হাৰত আৰু আচবাব 5% হাৰত অৱক্ষয় ধৰিবা

*(iii)* Create a reserve of 5% on Sundry Debtors for Bad Debts

অনুদ্ধাৰণীয় ঋণৰ বাবে বিবিধ দেনাদাৰৰ ওপৰত 5% হাৰত ব্যৱস্থা ৰাখিবা

*(iv)* Write off $\frac{1}{4}$th of advertising

বিজ্ঞাপন ব্যয়ৰ $\frac{1}{4}$ অংশ বিলোপ সাধন কৰিবা



*Or / অথবা*

*(b)* *(i)* Discuss the need for introducing and developing Generally Accepted Accounting Principles. 8

সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য হিচাপকৰণৰ নীতিসমূহৰ উদ্ভাৱন আৰু বিকাশকৰণৰ আৱশ্যকতা সম্পৰ্কে আলোচনা কৰা।

*(ii)* Discuss in brief the IFR Standards. 6

IFR মানকসমূহৰ বিষয়ে সংক্ষিপ্ত আলোচনা দাঙি ধৰা।

**4.** *(a)* Prakash & Co. purchased a machine on 01.01.2011 on hire-purchase basis. The payments were to be made as follows :

| | ₹ |
|---|---|
| On signing the agreement | 10,000 |
| At the end of the first year | 12,000 |
| At the end of the second year | 7,000 |
| At the end of the third year | 4,400 |
| | 33,400 |

Interest included in ₹ 33,400 was charged on the cash price @ 10% p.a.

You are required to ascertain the cash price of the machine and write up Machinery A/c and Hire Vendor's A/c in the books of Prakash & Co. 4+5+5=14

www.prepnext.com

প্ৰকাশ এণ্ড কোম্পানীয়ে 01.01.2011 তাৰিখে এটা মেচিন ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰয় কৰিছিল। ইয়াৰ বাবদ নিম্নলিখিত ধন পৰিশোধ কৰাৰ চুক্তি সম্পন্ন হৈছিল :

| | টকা |
|---|---|
| চুক্তি স্বাক্ষৰ কৰাৰ সময়ত | 10,000 |
| প্ৰথম বৰ্ষৰ অন্তত | 12,000 |
| দ্বিতীয় বৰ্ষৰ অন্তত | 7,000 |
| তৃতীয় বৰ্ষৰ অন্তত | 4,400 |
| | 33,400 |

33,400 টকাত অন্তৰ্ভুক্ত কৰা সুত নগদ মূল্যৰ ওপৰত বছৰি 10% হাৰত ধৰা হৈছে

মেচিনটোৰ নগদ মূল্য নিৰ্ধাৰণ কৰা আৰু প্ৰকাশ এণ্ড কোম্পানীৰ হিচাপ বহীত মেচিনৰ হিচাপ আৰু ভাড়া-ক্ৰয় বিক্ৰেতাৰ হিচাপ প্ৰস্তুত কৰা।

*Or /* অথবা

(b) (i) Explain the features of Instalment-purchase system. 6

কিস্তি-ক্ৰয় পদ্ধতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ii) Distinguish between Hire-purchase system and Instalment-purchase system. 8

ভাড়া-ক্ৰয় পদ্ধতি আৰু কিস্তি-ক্ৰয় পদ্ধতিৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।



5. (a) Gojen obtained from Brojen a coal mine on lease for five years from 1st April, 2009 on the following terms :

2009 চনৰ 1 এপ্ৰিল তাৰিখৰ পৰা পাঁচ বছৰৰ কাৰণে নিম্নোক্ত চুক্তিত গজেনে ব্ৰজেনৰ পৰা এটা কয়লাখনি লীজত ল'লে :

(i) Royalty is to be paid @ ₹ 2 per ton

প্ৰতি টন উৎপাদিত কয়লাত 2 টকা হিচাপত স্বত্বকৰ দিব লাগিব

(ii) Minimum Rent is ₹ 3,000 per year

বছৰেকীয়া নিম্নতম খাজনা 3,000 টকা

(iii) Each year's shortworking can be recouped during the subsequent two years subject to a maximum of ₹ 500 per annum

বছৰেকীয়া সৰ্বাধিক 500 টকা হিচাপত প্ৰতি বছৰৰ হ্ৰস্ব উৎপাদন পৰৱৰ্তী দুবছৰৰ স্বত্বকৰৰ পৰা আদায় কৰাৰ অধিকাৰ থাকিব

(iv) If there is any cessation of work due to strike, the minimum rent may be reduced proportionately with regard to the length of the stoppage

হৰতালৰ কাৰণে কৰ্মবিৰতি হ'লে সেই বছৰৰ নিম্নতম খাজনা কৰ্মবিৰতিৰ সময়ৰ দৈৰ্ঘ্যৰ অনুপাতত হ্ৰাস কৰিব পাৰিব

www.prepnext.com

Production of coal during the five years was as follows :

পাঁচ বছৰৰ কয়লা উৎপাদনৰ পৰিমাণ তলত দিয়া ধৰণৰ আছিল :

| *Year* বছৰ | *Output* (in tons) *উৎপাদন* (টনত) |
|---|---|
| 2009–10 | 1000 |
| 2010–11 | 1500 |
| 2011–12 | 1800 |
| 2012–13 | 1200 |
| 2013–14 | 1300 |

During the year 2012–13, there was a stoppage in work due to strike lasting 4 months.

2012–13 চনত হৰতালৰ কাৰণে 4 মাহৰ কৰ্মবিৰতি হয়।

From the above particulars, prepare *(i)* Royalties A/c, *(ii)* Shortworkings A/c and *(iii)* Brojen's A/c in the books of Gojen. Show the Analysis Table also. 4+4+4+2=14

উপৰোক্ত তথ্যৰ পৰা গজেনৰ বহীত *(i)* স্বত্বকৰৰ হিচাপ, *(ii)* হ্ৰস্ব উৎপাদনৰ হিচাপ আৰু *(iii)* ব্ৰজেনৰ হিচাপ প্ৰস্তুত কৰা। বিশ্লেষণ তালিকাখনো প্ৰস্তুত কৰি দেখুওৱা।



www.prepnext.com

*Or / অথবা*

*(b)* *(i)* What is called 'Rock Rent' in Royalty Account? 4

স্বত্বকৰ হিচাপত 'শিলাকপী খাজনা' বুলি কাক কোৱা হয় ?

*(ii)* What do you mean by 'Recoupment of Shortworkings'? What conditions are to be satisfied for recoupment of shortworkings? 2+3=5

'হ্ৰস্ব উৎপাদন ক্ষতিপূৰ্তি' বুলিলে কি বুজা ? হ্ৰস্ব উৎপাদন ক্ষতিপূৰ্তিৰ বাবে কি কি চৰ্ত পূৰণ কৰিবলগীয়া হয় ?

*(iii)* Distinguish between Rent and Royalty. 5

ভাড়া আৰু স্বত্বকৰৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

**6.** *(a)* In the context of Branch Accounts, explain the following : 3½×4=14

শাখা হিচাপ প্ৰসঙ্গত তলত দিয়াবিলাকৰ ব্যাখ্যা দিয়া :

*(i)* Goods-in-transit

প্ৰেৰিত অৱস্থাত থকা পণ্য

*(ii)* Cash-in-transit

প্ৰেৰিত অৱস্থাত থকা নগদ ধন

*(iii)* Inter-branch Transactions

আন্তঃশাখা লেনদেনসমূহ

*(iv)* Depreciation on Branch Fixed Assets

শাখাৰ স্থায়ী সম্পত্তিৰ অৱক্ষয়

*Or / অথবা*

*(b)* From the following particulars, prepare Departmental Trading and Profit & Loss A/c in columnar form for the two departments and thereafter the Combined Income Account of Red-Rose Brothers for the year ended 31st March, 2014 :

তলত দিয়া বিৱৰণীৰ পৰা ৰেড-ৰ'জ ব্ৰাদাৰ্চৰ দুটা বিভাগৰ বাবে স্তম্ভাকাৰত 2014 চনৰ 31 মাৰ্চ তাৰিখে সমাপ্ত হোৱা বছৰৰ বাবে বিভাগীয় ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচানৰ হিচাপ আৰু একত্ৰিত আয়ৰ হিচাপ প্ৰস্তুত কৰা :

| | *Dept.—A* *বিভাগ—A* ₹ টকা | *Dept.—B* *বিভাগ—B* ₹ টকা |
|---|---|---|
| Stock on 01.04.2013 01.04.2013 তাৰিখে মজুত | 30,000 | 5,000 |
| Purchase from outside বহিঃক্ৰয় | 2,05,000 | 20,000 |



| | *Dept.—A* *বিভাগ—A* ₹ টকা | *Dept.—B* *বিভাগ—B* ₹ টকা |
|---|---|---|
| Wages মজুৰি | 10,000 | 1,000 |
| Salaries দৰমহা | 3,600 | 2,400 |
| Transfer from Dept. *A* বিভাগ *A*-ৰ পৰা স্থানান্তৰ | — | 50,000 |
| Stock on 31.03.2014 31.03.2014 তাৰিখে মজুত | 35,000 | 12,000 |
| Sales to outsiders বাহিৰা লোকক বিক্ৰী | 2,00,000 | 70,000 |

The entire Closing Stock of Department—*B* represents goods transferred from Department—*A* at cost plus 25%. Administrative and selling expenses amount to ₹ 14,000 which is to be allocated between the two departments in the ratio of 6 : 1.

4+6+4=14

বিভাগ—*B*-ৰ সকলোখিনি অন্তমজুতাৰ বিভাগ—*A*-ৰ পৰা ক্ৰয়মূল্যৰ লগত 25% যোগ দি প্ৰেৰণ কৰা মজুতাৰ। প্ৰশাসনীয় আৰু বিক্ৰী ব্যয় 14,000 টকা দুয়োটা বিভাগৰ মাজত 6 : 1 অনুপাতত বিভাজন কৰিব লাগে।

www.prepnext.com

## ( Old Course )

*Full Marks* : 80

*Pass Marks* : 32

1. *(a)* Write 'True' or 'False' : 1×3=3

'সঁচা' নে 'মিছা' লিখা :

*(i)* Minimum Rent is also known as 'Rock Rent' in Royalty Accounts.

নিম্নতম খাজনাক 'শিলাৰূপী খাজনা' বুলিও স্বত্বকৰ হিচাপত জনা যায়।

*(ii)* Unearned Income Account is a liability.

অনুপাৰ্জিত আয়ৰ হিচাপ হৈছে এক দেয়।

*(iii)* Registration of a partnership firm is compulsory.

এটা অংশীদাৰী প্ৰতিষ্ঠানৰ পঞ্জীয়ন বাধ্যতামূলক।

*(b)* Fill in the blanks : 1×3=3

খালী ঠাই পূৰণ কৰা :

*(i)* Cash Flow Statement is prepared as per Accounting Standard ——.

নগদ টকা প্ৰবাহ বিবৃতি হিচাপ-বিদ্যাৰ —— নং মান অনুযায়ী প্ৰস্তুত কৰা হয়।



*(ii)* Hire-purchase transactions are controlled by the Hire-Purchase Act of ——.

ভাড়া-ক্ৰয়ৰ লেনদেনসমূহ ভাড়া-ক্ৰয় আইন ——ৰ দ্বাৰা নিয়ন্ত্ৰিত।

*(iii)* Cash sent by the branch not received by the head office by the end of the year is debited to —— Account.

শাখাই প্ৰেৰণ কৰা কিন্তু মুখ্য কাৰ্যালয়ে নোপোৱা নগদ ধনখিনিক বছৰৰ শেষত —— হিচাপত ডেবিট কৰা হয়।

*(c)* Choose the correct answer : 1×2=2

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

*(i)* Royalty paid on sales is debited to (Trading Account / Profit & Loss Account / Profit & Loss Appropriation Account).

স্বত্বকৰ বিক্ৰীৰ ওপৰত পৰিশোধ কৰিলে (কিনা-বেচাৰ হিচাপ / লাভ-লোকচানৰ হিচাপ / লাভ-লোকচান সমযোজনাৰ হিচাপ)-ত ডেবিট কৰা হয়।

www.prepnext.com

*(ii)* If inventory at branch is shown at invoice price instead of cost price, then the account which is used for adjustment is (Reserve Stock Account / Stock Reserve Account / Stock Suspense Account).

শাখাত মজুত পণ্য সম্ভাৰ ক্ৰয়মূল্যৰ পৰিবৰ্তে চালান মূল্যত হিচাপ কৰিলে সমযোজনাৰ বাবে ব্যৱহৃত হোৱা হিচাপ হৈছে (সঞ্চিত সম্ভাৰ হিচাপ / মজুত পণ্য সঞ্চয় হিচাপ / নিষ্পত্তি নোহোৱা সম্ভাৰ হিচাপ)।

**2.** Write brief notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো চাৰিটা) :

*(a)* Instalment-purchase System

কিস্তি-ক্ৰয় পদ্ধতি

*(b)* Independent Branch

স্বতন্ত্ৰ শাখা

*(c)* Features of Accounting Income

আয়ৰ হিচাপৰক্ষণৰ বৈশিষ্ট্যসমূহ

*(d)* Garner *vs.* Murray Rule

গাৰ্ণাৰ বনাম মূৰেৰ নিয়ম

*(e)* Minimum Rent

ন্যূনতম খাজনা

www.prepnext.com



**3.** *(a)* *(i)* How does the money measurement concept limits the scope of accounting? 4

টকাৰ মাধ্যমত জোখ-মাখ কৰা ধাৰণাই হিচাপ-লেখনৰ পৰিধি কেনেদৰে সীমিত কৰে?

*(ii)* Write four points of the necessity of accounting. 4

হিচাপ-লেখনৰ আৱশ্যকতাৰ চাৰিটা কাৰণ লিখা।

*(iii)* Write a short note on Indian Accounting Standards Board. 4

ভাৰতবৰ্ষৰ হিচাপ-বিদ্যা মানক পৰিষদৰ এটা সংক্ষিপ্ত টোকা লিখা।

*Or / অথবা*

*(b)* From the following Trial Balance of Mr. Pathak, you are required to prepare Trading and Profit & Loss A/c for the year ended 31st March, 2014 and a Balance Sheet as on that date : 4+4+4=12

নিম্নলিখিত উদ্বৃত্ত মিলন বিবৃতিৰ পৰা 31 মাৰ্চ, 2014 চনৰ অন্তত মি. পাঠকৰ বহীত ক্ৰয়-বিক্ৰয় হিচাপ আৰু

লাভ-লোকচানৰ হিচাপ প্ৰস্তুত কৰা আৰু উক্ত তাৰিখত এখনি উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা :

*Trial Balance* / উদ্বৃত্ত মিলন বিবৃতি

| *Debit Balances* ডেবিট স্থিতি | ₹ টকা | *Credit Balances* ক্ৰেডিট স্থিতি | ₹ টকা |
|---|---|---|---|
| Opening Stock আৰম্ভণি মজুত পণ্য | 50,000 | Sales বিক্ৰী | 14,00,000 |
| Furniture আচবাব পত্ৰ | 32,000 | Creditors পাওনাদাৰ | 1,45,000 |
| Purchase ক্ৰয় | 11,10,600 | Bank Overdraft বেংক অধিবিকৰ্ষ | 1,00,000 |
| Carriage Inward অন্তৰ্বহন ব্যয় | 9,400 | Provision for Doubtful Debts অনুদ্ধাৰণীয় ঋণৰ ব্যৱস্থা | 4,200 |
| Bad Debts অনুদ্ধাৰণীয় ঋণ | 3,600 | Discount বাট্টা | 1,000 |
| Wages মজুৰি | 1,04,000 | Purchase Return ক্ৰয় ফিৰৎ | 40,000 |
| Debtors দেনাদাৰ | 1,60,000 | Capital মূলধন | 4,00,000 |
| Sales Return বিক্ৰী ফিৰৎ | 30,000 | | |
| Rent ভাড়া | 48,000 | | |
| Salaries দৰমহা | 1,36,000 | | |
| Cash নগদ ধন | 17,800 | | |
| Drawings আহৰণ | 28,000 | | |
| Building ভৱন | 3,20,000 | | |
| Advertisement বিজ্ঞাপন | 20,000 | | |
| Interest on Bank Overdraft বেংক অধিবিকৰ্ষৰ ওপৰত সুত | 14,000 | | |
| Miscellaneous Expenses বিবিধ খৰচ | 6,800 | | |
| | 20,90,200 | | 20,90,200 |



*Adjustments :*

সমযোজনাসমূহ :

*(i)* Closing Stock is valued at ₹ 72,000
সামগ্ৰী মজুতৰ পৰিমাণ 72,000 টকা

*(ii)* Make a Provision for Bad and Doubtful Debts @ 5% on Debtors
অনুদ্ধাৰণীয় আৰু সন্দেহজনক ঋণৰ সংচিতি বছৰি 5% হাৰত দেনাদাৰৰ ওপৰত ব্যৱস্থা কৰিব লাগে

*(iii)* Depreciate furniture by 10%
আচবাব পত্ৰৰ ওপৰত 10% হাৰত অপচয় ধাৰ্য কৰিব লাগে

*(iv)* Provide for Interest on Capital @ 6% p.a.
মূলধনৰ ওপৰত বছৰি 6% হাৰত সুত ধাৰ্য কৰিব লাগে

www.prepnext.com

**4.** *(a)* On 1st January, 2010, Assam Traders purchased a machine from M/s Jai Hind Machinery on hire-purchase system. As per agreement, an amount of ₹ 5,000 paid on signing the agreement and balance in three equal annual instalments of ₹ 20,000 each on 31st December each year. The hire vendor charged interest @ 5% p.a. on yearly balance. Depreciation was charged @ 15% p.a. on straight-line method.

Ascertain the cash price of the machine and prepare *(i)* Machinery A/c and *(ii)* M/s Jai Hind Machinery's A/c in the books of Assam Traders. 3+4+4=11

1 জানুৱাৰী, 2010 তাৰিখে আসাম ট্ৰেডাৰ্চে মেচাৰ্চ জয় হিন্দ মেচিনেৰিৰ পৰা ভাড়া-ক্ৰয় পদ্ধতিত এটা মেচিন ক্ৰয় কৰিছিল। চুক্তি অনুসৰি, চুক্তি স্বাক্ষৰৰ সময়ত 5,000 টকা দিয়া হয় আৰু বাকী থকা টকা 20,000 টকাকৈ প্ৰতি বছৰে 31 ডিচেম্বৰ তাৰিখে তিনিটা সমান কিস্তিত পৰিশোধ কৰা হয়। বিক্ৰেতাই প্ৰতি বছৰে বাকী থকা টকাৰ ওপৰত বছৰি 5% হাৰত সুত ধাৰ্য কৰে। মেচিনৰ ওপৰত প্ৰতি বছৰে 15% হাৰত স্থিৰ-কিস্তি পদ্ধতিত অপচয় ধাৰ্য কৰা হয়।

মেচিনৰ নগদ মূল্য নিৰূপণ কৰা আৰু আসাম ট্ৰেডাৰ্চৰ বহীত *(i)* মেচিন হিচাপ আৰু *(ii)* মেচাৰ্চ জয় হিন্দ মেচিনেৰীৰ হিচাপ প্ৰস্তুত কৰা।



*Or / অথবা*

*(b)* Distinguish between the following : 7+4=11

তলত উল্লেখ কৰাসমূহৰ পাৰ্থক্য দেখুওৱা :

*(i)* Hire-purchase System and Instalment-purchase System

ভাড়া-ক্ৰয় পদ্ধতি আৰু কিস্তি-ক্ৰয় পদ্ধতি

*(ii)* Complete Repossession and Partial Repossession

সম্পূৰ্ণ অধিগ্ৰহণ আৰু অংশবিশেষ অধিগ্ৰহণ

**5.** *(a)* Sri Madan Baruah took a colliery from Sri Mohan Singh on lease for a period of 20 years from 1st January, 2008 on a royalty of ₹ 16 per ton of coal raised with a Minimum Rent of ₹ 80,000 per annum and power to recoup short-workings was first four years of the lease.

The annual coal raised were :

| | *Tons* |
|---|---|
| 2008 | 3000 |
| 2009 | 3500 |
| 2010 | 5000 |
| 2011 | 9000 |
| 2012 | 10000 |

www.prepnext.com

From the above particulars, prepare in the books of Sri Madan Baruah *(i)* Royalties A/c, *(ii)* Shortworkings A/c and *(iii)* Sri Mohan Singh's A/c. 3+4+4=11

শ্ৰী মদন বৰুৱাই শ্ৰী মোহন সিঙ-ৰ পৰা এটা কয়লাখনি 2008 চনৰ 1 জানুৱাৰী তাৰিখৰ পৰা 20 বছৰৰ বাবে লীজত ল'লে। বছৰেকীয়া ন্যূনতম খাজনা 80,000 টকাত নিৰ্ধাৰিত কৰা হ'ল আৰু প্ৰতি টন উৎপাদিত কয়লাত 16 টকা স্বত্বকৰ দিয়াৰ চৰ্তত চুক্তিবদ্ধ হ'ল।

চুক্তি অনুসৰি প্ৰথম চাৰি বছৰৰ ভিতৰত স্বত্বকৰৰ পৰা হ্ৰস্ব উৎপাদনৰ পৰিমাণ আদায় লোৱাৰ অধিকাৰ থাকিব।

বাৰ্ষিক কয়লা উৎপাদনৰ পৰিমাণ :

| | *টন* |
|---|---|
| 2008 | 3000 |
| 2009 | 3500 |
| 2010 | 5000 |
| 2011 | 9000 |
| 2012 | 10000 |

উপৰোক্ত তথ্যৰ পৰা শ্ৰী মদন বৰুৱাৰ বহীত *(i)* স্বত্বকৰ হিচাপ, *(ii)* হ্ৰস্ব উৎপাদন হিচাপ আৰু *(iii)* শ্ৰী মোহন সিঙ-ৰ হিচাপ প্ৰস্তুত কৰা।



*Or / অথবা*

*(b)* What is Royalty? Explain the different types of royalty. Also distinguish between Rent and Royalty. 2+4+5=11

স্বত্বকৰ কি? স্বত্বকৰৰ বিভিন্ন প্ৰকাৰসমূহ বৰ্ণনা কৰা। ভাড়া আৰু স্বত্বকৰৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

**6.** *(a)* A head office at Kolkata supplies goods to its Dibrugarh Branch on cost. The branch sells the goods for cash and on credit and remits the proceeds to the head office promptly. The branch expenses are being met by the head office by cheque.

কলকাতাৰ মুখ্য কাৰ্যালয়ে ডিব্ৰুগড়ত থকা ইয়াৰ শাখালৈ ক্ৰয়মূল্যত বস্তু পঠায়। শাখাই নগদ আৰু বাকীত বস্তু বিক্ৰী কৰে আৰু প্ৰাপ্ত ধন লগে লগে মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰে। মুখ্য কাৰ্যালয়ে শাখাৰ খৰচবোৰ চেকৰ দ্বাৰা পৰিশোধ কৰে।

www.prepnext.com

The following are the transactions relating to the branch for the year ended 31st March, 2014 :

2014 চনৰ 31 মাৰ্চ তাৰিখে অন্ত হোৱা বছৰটোৰ শাখাৰ লেনদেনবোৰ তলত দিয়া হ'ল :

| | ₹ (টকা) |
|---|---|
| Stock at branch on 01.04.2013<br>01.04.2013 তাৰিখে শাখাৰ মজুত সম্ভাৰ | 30,000 |
| Debtors at branch on 01.04.2013<br>01.04.2013 তাৰিখে শাখাৰ দেনাদাৰ | 40,000 |
| Goods sent to branch during the year<br>বছৰটোত শাখালৈ প্ৰেৰণ কৰা বস্তু | 2,25,000 |
| Total sales at branch (including cash sales ₹ 1,10,000)<br>শাখাৰ মুঠ বিক্ৰী (নগদ বিক্ৰী 1,10,000 টকাসহ) | 3,70,000 |
| Goods returned by branch<br>শাখাৰ দ্বাৰা বস্তু ঘূৰাই দিয়া | 10,000 |
| Goods returned by customers<br>গ্ৰাহকৰ দ্বাৰা বস্তু ঘূৰাই দিয়া | 10,000 |
| Cash received from debtors<br>দেনাদাৰৰ পৰা প্ৰাপ্ত নগদ ধন | 2,10,000 |
| Discount allowed to debtors<br>দেনাদাৰক বাট্টা দিয়া হয় | 10,000 |



| | | ₹ (টকা) |
|---|---|---|
| Bad Debts written off<br>অনুদ্ধাৰণীয় ঋণ বিলোপসাধন কৰা হয় | | 5,000 |
| Cheque sent to branch for expenses :<br>শাখালৈ খৰচৰ বাবদ চেক পঠিয়ায় : | | |
| Salaries<br>দৰমহা | 25,000 | |
| Rent<br>ভাড়া | 14,500 | |
| Petty Expenses<br>সৰু-সুৰা খৰচ | 500 | 40,000 |
| Stock at branch on 31.03.2014<br>31.03.2014 তাৰিখে শাখাৰ মজুত সম্ভাৰ | | 45,000 |

Prepare Dibrugarh Branch A/c and goods sent to Branch A/c in head office books. Show Branch Debtors A/c as a part of your working note. 6+3+2=11

মুখ্য কাৰ্যালয়ৰ বহীত ডিব্ৰুগড় শাখাৰ হিচাপ আৰু শাখালৈ প্ৰেৰণ কৰা বস্তুৰ হিচাপ প্ৰস্তুত কৰা। শাখা দেনাদাৰৰ হিচাপ কাৰ্য টোকাৰ এটা অংশ হিচাপে তুমি প্ৰস্তুত কৰি দেখুওৱা।

*Or* / অথবা

(b) In the context of Branch Accounts, explain the following : 2+3+3+3=11

শাখা হিচাপ প্ৰসংগত তলত দিয়াবিলাকৰ ব্যাখ্যা দিয়া :

(i) Depreciation on Branch Fixed Assets

শাখাৰ স্থায়ী সম্পত্তিৰ অপচয়

www.prepnext.com

(ii) Inter-branch Transactions

অন্তঃশাখা লেনদেন

(iii) Cash-in-transit

প্ৰেৰিত অৱস্থাত থকা ধন

(iv) Goods-in-transit

প্ৰেৰিত অৱস্থাত থকা বস্তু

**7.** (a) *A*, *B* and *C* are partners in a partnership firm. They decided to dissolve the partnership on 31st December, 2013. Their Balance Sheet as on 31st December, 2013 was as follows :

*A*, *B* আৰু *C* এখন অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ। 31 ডিচেম্বৰ, 2013 তাৰিখে তেওঁলোকে ব্যৱসায়ৰ বিলোপসাধন কৰাৰ সিদ্ধান্ত লয়। 31 ডিচেম্বৰ, 2013 তাৰিখে তেওঁলোকৰ ব্যৱসায়ৰ উদ্বৃত্তপত্ৰ তলত দিয়া ধৰণৰ আছিল :

*Balance Sheet / উদ্বৃত্ত-পত্ৰ*

| *Liabilities* দেয় | ₹ টকা | *Assets* সম্পত্তি | ₹ টকা |
|---|---|---|---|
| *A*'s Capital *A*-ৰ মূলধন | 2,00,000 | Cash নগদ টকা | 1,50,000 |
| *B*'s Capital *B*-ৰ মূলধন | 60,000 | *C*'s Capital *C*-ৰ মূলধন | 20,000 |
| | | Realization A/c (Dr.) আদায়কৰণৰ হিচাপ (ডেবিট) | 90,000 |
| | 2,60,000 | | 2,60,000 |



*C* is insolvent and cannot pay anything. Pass Journal Entries and prepare Ledger A/cs in the books of the firm : 5+6=11

*C*-ৰ অৱস্থা দেউলীয়া আৰু তেওঁ একো দিব নোৱাৰে। অংশীদাৰী প্ৰতিষ্ঠানৰ বহীত জাবেদা প্ৰৱিষ্টিসমূহ লিখা আৰু খতিয়ানসমূহ প্ৰস্তুত কৰা :

(i) Just prior to decision in Garner *vs.* Murray

গাৰ্ণাৰ বনাম মূৰেৰ সিদ্ধান্ত প্ৰয়োগ নকৰাকৈ

(ii) After decision in Garner *vs.* Murray

গাৰ্ণাৰ বনাম মূৰেৰ সিদ্ধান্ত প্ৰয়োগ কৰি

*Or / অথবা*

(b) What do you mean by Amalgamation of firms? What are the major objectives of amalgamation? Name the different forms of amalgamation. 2+6+3=11

অংশীদাৰী ব্যৱসায়ৰ একত্ৰীকৰণ বুলিলে কি বুজা? একত্ৰীকৰণৰ মুখ্য উদ্দেশ্যসমূহ কি কি? একত্ৰীকৰণৰ বিভিন্ন পদ্ধতিসমূহৰ নামবোৰ উল্লেখ কৰা।

★★★

www.prepnext.com